# অসম ফ্ৰণ্টিয়াৰৰ ৫ বাগিচাত টি ব'ৰ্ডৰ

■ *পঞ্চম পৃষ্ঠাৰ পৰা* ফাদিল কৰাৰ লগতে বিক্ৰীৰ বাবে মজুত ৰখা মাৰাত্মক এই চাহপাতৰ নমুনা সংগ্ৰহ কৰি পৰীক্ষাৰ বাবে প্ৰেৰণ কৰিছে। প্ৰাপ্ত তথ্যমতে চাহপাত প্ৰস্তুত কৰাৰ পিচত ৰৈ যোৱা ধূলিসদৃশ অলাগতিয়াল তথা অতি নিম্নমানৰ পাউডাৰসদৃশ চাহপাতৰ গুড়িসমূহ বং তথা ৰাসায়নিক সাৰ আদি প্ৰস্তুত কৰা কাৰ্যত ব্যৱহাৰ হয়। ইপিনে চাহ বাগিচাসমূহে এনে পাউডাৰসদৃশ চাহপাতৰ অলাগতিয়াল গুড়িসমূহ চৰকাৰী নীতি-নিয়ম অনুসৰি সেই চাহপাতৰ গুড়ি ক্ৰয় কৰিব পৰা অনুজ্ঞাপত্ৰধাৰী কোম্পানীকহে যোগান ধৰিব পাৰে। কিন্তু অসম ফ্ৰণ্টিয়াৰ টি কোম্পানী লিমিটেডৰ একাংশ চাহ বাগিচাই ব্যৱসায়িক লাভালাভৰ স্বাৰ্থত জনস্বাস্থ্যৰ প্ৰতি ভাবুকিৰ সৃষ্টিৰে উক্ত পাউডাৰসদৃশ চাহপাতৰ গুড়িসমূহ ৰিপ্ৰচেছিঙৰ জৰিয়তে চাহপাত প্ৰস্তুত কৰি বজাৰত বিক্ৰী কৰাৰ তথ্য পোহৰলৈ আহিছে। জানিব পৰামতে, স্বাস্থ্যৰ বাবে হানিকাৰক অতি নিম্নমান চাহপাত বজাৰত প্ৰতি কিলো ৫৫ টকাৰ দৰত বিক্ৰী কৰি আহিছিল। ইপিনে অসম ফ্ৰণ্টিয়াৰ টি লিমিটেডৰ কেইবাখনো বাগিচাৰ কাৰখানাই এনে নীতিবিৰুদ্ধ কাৰ্য সম্পাদন কৰি থকাৰ তথ্য লাভ কৰাৰ পিচতেই সৰৱ হৈ পৰে অসম টি ব'ৰ্ড। এইমৰ্মে যোৱা ১৪ নৱেম্বৰত অসম টি ব'ৰ্ডৰ শীৰ্ষ বিষয়াই তিনিচুকীয়া আৰু ডিব্ৰুগড় জিলাৰ টি ব'ৰ্ডৰ কৰ্মচাৰীৰ সৈতে অসম ফ্ৰণ্টিয়াৰ টি কোম্পানী লিমিটেডৰ পাঁচখনকৈ চাহ বাগিচাৰ ফেক্টৰীত অভিযান চলায়। জিলা দুখনৰ পেঙেৰী, খোৱাং, খাৰজান, শুকানগুড়ি আৰু বাগলাভেটা চাহ বাগিচাৰ ফেক্টৰীত চলোৱা অভিযানকালত টি ব'ৰ্ডৰ বিষয়াই এনে ভয়াবহ কাণ্ড ধৰা পেলায়। তদুপৰি টি ব'ৰ্ডৰ দলটোৱে বজাৰত বিক্ৰীৰ বাবে মজুত ৰখা এনে নিম্নমানৰ বহু পৰিমাণৰ চাহপাতো জব্দ কৰে। ইতিমধ্যে টি ব'ৰ্ডে ছীল কৰা উক্ত চাহপাতৰ নমুনা পৰীক্ষাৰ বাবে পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰিছে। ইপিনে চাহ বাগিচাকেইখনৰ ফেক্টৰীৰ অনুজ্ঞাপত্ৰ বাতিল হোৱাৰ শংকাত ভোগা অসম ফ্ৰণ্টিয়াৰ টি কোম্পানী লিমিটেডে কুকাৰ্য গাপ দিবলৈ অসম টি ব'ৰ্ডৰ বিষয়াক মেনেজৰ বাবে উঠি-পৰি লগা বুলি জানিব পৰা গৈছে। পৰীক্ষাগাৰলৈ প্ৰেৰণ কৰা নমুনাৰ প্ৰতিবেদন অহা পাঁচ ডিচেম্বৰৰ পূৰ্বে টি ব'ৰ্ডে লাভ কৰিব বুলি টি ব'ৰ্ডৰ এটা সূত্ৰত প্ৰকাশ।